# বেদৰ অঙ্গস্বৰূপ গ্ৰন্থ কেইখন

বেদৰ সংহিতাৰ পৰা ব্ৰাহ্মণ আৰণ্যক আদি গ্ৰন্থৰাজি সৃষ্টিৰ পাছত অতি প্ৰয়োজন বোধে বেদৰ অঙ্গস্বৰূপে আৰু ছয়খন গ্ৰন্থ ৰচিত হৈছে, সেই কেইখন হ'ল- শিক্ষা, ব্যাকৰণ, ছন্দ, নিৰুক্ত, জ্যোতিষ আৰু কল্প। এইখিনিক একেলগে বেদৰ অঙ্গ গ্ৰন্থ বোলা হয়।

সংহিতা, ব্ৰাহ্মণ, আৰণ্যক প্ৰভৃতি গ্ৰন্থৰ পাঠৰীতি অৰ্থবোধ আৰু বিনিয়োগৰ সহায়ক হয় এই গ্ৰন্থসমূহ।

**শিক্ষা ঃ**

বেদৰ যুগত সংহিতা কেইখন আৰু ইয়াৰ আনুষঙ্গিক গ্ৰন্থ কেইখনেই আছিল ধৰ্মীয় গ্ৰন্থ আৰু ইয়াৰ নিত্যপাঠ আছিল একপ্ৰকাৰ বাধ্যতামূলক। যজ্ঞতো বেদপাঠ হয়। এই বেদপাঠ ব্যৱস্থাটোক স্বাধ্যায় বোলে। স্বাধ্যায়ত বেদৰ বৰ্ণ, স্বৰ, সাম(গীত বা গান হিচাপে গোৱা) ইত্যাদিৰ যথাযথ উচ্চাৰণ আৰু প্ৰয়োগ বিধি এই শিক্ষা গ্ৰন্থত লিপিবদ্ধ আছে। সেয়ে ছয় বেদাঙ্গৰ ভিতৰত শিক্ষা গ্ৰন্থক প্ৰথম স্থান দিয়া হৈছে। এই গ্ৰন্থত আচলতে ধ্বনিবিজ্ঞানৰ শিক্ষাই দিয়া হয়। মন্ত্ৰবিলাকৰ শব্দৰ শুদ্ধ উচ্চাৰণ আৰু সামৰ সুৰ গুৰুৰ পৰা শিকিব লগীয়া। সংহিতা খিনিয়েই স্বাধ্যায়ৰ বিষয়। প্ৰত্যেকখন বেদৰ বেলেগ বেলেগ শিক্ষা গ্ৰন্থ আদিতে আছিল বুলি জনা যায় যদিও বৰ্তমানে সেই সকলো বিলাক গ্ৰন্থ পাবলৈ নাই।

সংহিতা পাঠ দুই ভাৱে কৰা হয়। এক অব্যাকৃত, অৰ্থাৎ ব্যাখ্যা নকৰাকৈ আৰু আনটো ব্যাকৃত পদপাঠ, অৰ্থাৎ ব্যাখ্যা ভাঙি কৰা।

আৰু পৰিষ্কাৰকৈ ক'বলৈ হ'লে- সংহিতাৰ পদবিলাক যি সন্নিবদ্ধ অৱস্থাত আছে সেই ভাবেই স্বাধ্যাই কৰাকে অব্যাকৃত স্বাধ্যায় বোলে। আকৌ, প্ৰতিপদকে সন্নিবদ্ধ ৰূপৰ পৰা পৃথক বা বিচ্ছিন্ন কৰি নি পৃথক ভাবে উচ্চাৰণ কৰাকে ব্যাকৃত স্বাধ্যায় বোলে। এই বিষয়ে শিক্ষা গ্ৰন্থত নীতি নিৰ্ধাৰণ কৰি দিয়া আছে।

"নাৰদশিক্ষা"খন সামবেদৰ শিক্ষা গ্ৰন্থ। ঋগ্বেদৰ শিক্ষাগ্ৰন্থ খন কালৰ সোঁতত

হেৰাই যোৱাৰ কাৰণে পাণিনীয় শিক্ষাকেই ঋগ্বেদৰ শিক্ষা ৰূপে নিৰ্ধাৰণ কৰি লোৱা হৈছে।

**ব্যাকৰণ ঃ**

ভাষা এটা বুজিবলৈ জানিবলৈ বা শিকিবলৈ যেনেকৈ সেই ভাষাৰ ব্যাকৰণৰ প্ৰয়োজন সেই একেটা প্ৰয়োজনেই খাতে অপৰিচিত যেন লগা বেদতো। অতি প্ৰাচীন-বেদৰ এই ভাষাটোও বেদোত্তৰ কালৰ লোকৰ বাবে দুৰ্বোধ্য, য'ত ভাষ্যকাৰ সকলো কোনো শব্দৰ, বাক্যৰ অৰ্থ বা ভাবাৰ্থ উলিয়াবলৈ গৈ খোজেপতি উজুটি খাব লগা অৱস্থা হয়। সেয়ে বেদ জানিবলৈ, বুজিবলৈ ইয়াৰ ব্যাখ্যা থকা ব্যাকৰণ পুথিৰ একান্ত প্ৰয়োজন। ব্যাকৰণ শব্দটোৰ অৰ্থই হৈছে ব্যাকৃত কৰা। কোনো শব্দ বা বাক্যক খুলি ইয়াৰ অৰ্থ ব্যক্ত কৰা বা বিস্তাৰিত ভাবে বুজাই, দিয়া। যি গ্ৰন্থৰ সহায়ত এই ব্যাকৃত কৰা কৰ্ম কৰা হয় সিয়েই ব্যাকৰণ। সেয়ে অকল সংহিতা বা ব্ৰাহ্মণ গ্ৰন্থৰ অৰ্থৰ বাবেই নহয় আৰণ্যক, উপনিষদ, দৰ্শন আদি শাস্ত্ৰৰ অৰ্থ বিচাৰিবৰ বাবেও ব্যাকৰণৰ জ্ঞান অপৰিহাৰ্য।

বেদাঙ্গ গ্ৰন্থৰ ৰূপত আচাৰ্য পাণিনি ৰচিত ব্যাকৰণখনেই আছে। এই ব্যাকৰণত বৈদিক আৰু লৌকিক এই উভয়বিধ ব্যাকৰণৰ সূত্ৰই পোৱা যায়। বৰ্তমানলৈকে সংস্কৃত ব্যাকৰণ হিচাপে প্ৰচলিত ৰত্নমালা নামৰ ব্যাকৰণত বেদ শাস্ত্ৰ বিষয়ক আলোচনা নাই।

ভাষাৰ ব্যাকৰণৰ ভিতৰত সংস্কৃত ভাষাৰ ব্যাকৰণেই অতি পুৰণি। ইংৰাজী ভাষাত ব্যাকৰণ ৰচিত হোৱা বেছি বছৰৰ আগৰ কথা নহয়।

বৰ্তমানে যিমানবিলাক উন্নত ভাষা আছে সেইবিলাকৰ ব্যাকৰণৰ ভিতৰত সংস্কৃতৰ অষ্টাধায়ী ব্যাকৰণখনকে পণ্ডিতসকলে প্ৰাচীনতম ব্যাকৰণ বুলি আখ্যা দিছে আৰু এইখন ব্যাকৰণৰ লিখক মহামুনি পাণিনিকেই ব্যাকৰণ শাস্ত্ৰৰ প্ৰথম ৰচকৰ সন্মান দিছে।

**ছন্দ ঃ**

বেদৰ মন্ত্ৰবিলাক ছন্দময় বা ছন্দোবদ্ধ। চাৰিখন সংহিতাৰ ভিতৰত কেৱল যজুৰ্বেদৰ কিছুসংখ্যক মন্ত্ৰ গদ্যত আছে। এইখিনিৰ বাহিৰে বাকী সকলো মন্ত্ৰই আছে ছন্দত সেয়ে, বেদ পাঠ কৰিবলৈ হ'লে ছন্দৰ জ্ঞানৰ একান্ত প্ৰয়োজন। বৈদিক মন্ত্ৰৰ ছন্দক অক্ষৰ ছন্দ বোলে। কাৰণ, একোফাঁকি মন্ত্ৰৰ মুঠ আখৰৰ সংখ্যা গণি তাৰ ছন্দ নিৰ্ণয় কৰা হয়।

বেদৰ ছন্দোবদ্ধ মন্ত্ৰ বিলাকৰ আখৰৰ সংখ্যা গণি মুঠ ৭ বিধ ছন্দ পোৱা গ'ল। যেনে— গায়ত্ৰী (২৪ অক্ষৰ) উষ্ণিক (২৮ অক্ষৰ), অনষ্টুপ (৩২ অক্ষৰ), বৃহতী (৩৬ অক্ষৰ), পঙ্‌ক্তি (৪০ অক্ষৰ), ত্ৰিষ্টুপ (৪৪ অক্ষৰ) আৰু জগতী (৪৮ অক্ষৰ)। বেদৰ এই সাতবিধ ছন্দক বেদৰূপী পৰম পুৰুষৰ সাতখন হাতৰূপে কল্পনা কৰা হৈছে।

ইয়াৰ ভিতৰত দ্বি-জাতিয়ে জপ কৰা 'সবিতা' বা 'গায়ত্ৰী' মন্ত্ৰটোৰ এফাঁকি মন্ত্ৰত এটা আখৰ কম আছে। এই এটা আখৰৰ অভাৱটো পূৰণৰ বাবে পিঙ্গল ঋষিয়ে তেওঁৰ 'ছন্দঃসূত্ৰত' এটা উপায় দিছে। যেনে-'তৎ সৱিতুৰ্বৰেণ্যম্' পদটোৰ 'ৱৰেণ্যম্'টো 'ৱৰেণিয়ম' বুলি পাঠ কৰিলে এই অভাৱটো পূৰ হৈ পাদটোত আখৰৰ সংখ্যা সৰ্বমুঠ ২৩ টাৰ ঠাইত ২৪ টা হ'ব। তেতিয়া সেই দোষ আঁতৰিব।

ঋক্ আৰু সাম এইদুয়োখন সংহিতাৰ সকলো মন্ত্ৰই ছন্দোবদ্ধ। ইয়াৰ ভিতৰত সাম সংহিতাৰ মন্ত্ৰবিলাক ধুনীয়া সুৰ লগাই গোৱা হয়। অথৰ্ববেদৰো বেছিভাগ মন্ত্ৰই ছন্দোবদ্ধ। পিঙ্গল ঋষিৰ 'ছন্দ্ৰঃসূত্ৰ'কেই বেদাঙ্গ গ্ৰন্থ বুলি ধৰা হয়। এই গ্ৰন্থৰ প্ৰথম চাৰিটা অধ্যায়ত বৈদিক ছন্দ আলোচনা কৰা আছে। ইয়াৰোপৰি সংহিতা, ব্ৰাহ্মণ আৰু উপনিষদৰ নানান সূত্ৰত ছন্দৰ প্ৰসঙ্গ উল্লেখ আছে।

এইবিলাক কাৰণতে স্বাধ্যায়ত এই গ্ৰন্থৰ যথেষ্ট সহায়কাৰী ভূমিকা আছে।

ছন্দ সম্পৰ্কে নিৰুক্ত আৰু ব্ৰাহ্মণ গ্ৰন্থত কোৱা আছে এই দৰে-'যিয়ে যজমান আৰু পুৰোহিতক পাপৰ পৰা ৰক্ষা বা আচ্ছাদন কৰে সিয়ে ছন্দ।'

**নিৰুক্ত ঃ**

বেদৰ মন্ত্ৰত ব্যৱহাৰ কৰা বিভিন্ন শব্দ ব্যাখ্যাৰ এই গ্ৰন্থৰ গ্ৰন্থকাৰ আচাৰ্য যাস্কঋষি।

বেদ মন্ত্ৰত ব্যৱহাৰ হোৱা শব্দবোৰৰ পৰিচয় আৰু এই বিলাকে প্ৰকাশ কৰা ভিন্ ভিন্ অৰ্থৰ ব্যাখ্যা আদিৰে আচাৰ্য যাস্কই নিৰুক্ত নামৰ গ্ৰন্থ লিখিছে। এই গ্ৰন্থৰ তিনিটা ভাগ যেনে- নৈঘণ্টুক কাণ্ড, নৈগম কাণ্ড আৰু দৈৱত কাণ্ড।

নৈঘণ্টুত কাণ্ডক সংক্ষেপতে নিঘণ্টু বোলে। ই হৈছে মন্ত্ৰ বিলাকত থকা শব্দাৰ্থৰ ব্যাখ্যা। বেদ মন্ত্ৰ বিলাকৰ একোটা শব্দই বহুত অৰ্থ কৰে; আকৌ, একোটা বস্তুকে বহুত বেলেগ বেলেগ শব্দৰে প্ৰকাশ কৰিছে মন্ত্ৰবিলাকত। সমপৰ্যায়ৰ বা সমাৰ্থক শব্দৰ উপদেশ থকা গ্ৰন্থ খনক নিঘণ্টু বা নৈঘণ্টু কাণ্ড নাম দিয়া হৈছে। এই ক্ষেত্ৰত এটা উদাহৰণ যেনে-- গ্ৰন্থখনত পৃথিৱীবাচক শব্দই মন্ত্ৰ বিলাকৰ মাজৰ পৰা একৈশটা বাছি উলিয়াই দেখুৱাইছে। সেইদৰে মন্ত্ৰ বিলাকৰ অৰ্থ উলিওৱাত ই অভিধানৰ কাম কৰিছে। ঠিক একেদৰে দহ বা কুৰিৰো অধিক একে অৰ্থবাচক (Synonyms) বহুতো

শব্দৰ তালিকা একোখন দিয়া হৈছে। সমান অৰ্থ-কাৰক আৰু অনেক অৰ্থকাৰক শব্দৰ তালিকাও এই গ্ৰন্থত লিপিবদ্ধ হৈছে।

সেইদৰে গ্ৰন্থখনৰ দ্বিতীয় ভাগটো নৈগম কাণ্ড। নিগম শব্দই বেদক বুজায়। গতিকে নৈগম কাণ্ডৰ অৰ্থ হৈছে- বেদত শব্দটোৱে এনে অৰ্থ কৰিছে। একেটা শব্দৰে অনেক অৰ্থ বাছক (Homonyms) তালিকা একোখন পোৱা যায় এই নৈগম কাণ্ডত-অৰ্থ ভাঙি দেখুওৱা হৈছে। এই গ্ৰন্থয়ো এইদৰে বেদ মন্ত্ৰৰ তাৎপৰ্য ব্যাখ্যাত সহায় কৰে।

ইয়াৰ তৃতীয় ভাগটো দৈৱতকাণ্ড। এই কাণ্ডত আছে দেৱতাতত্ত্বৰ বিস্তৃত বিচাৰ। আচাৰ্য যাস্কই এই কাণ্ডত বেদৰ দেৱতা সম্পৰ্কীয় জ্ঞান দিছে। বেদত বিভিন্ন দেৱতাৰ পূজা-অৰ্চনাৰ বাবে বহু মন্ত্ৰ আছে। গতিকে স্বাধ্যায় কৰোঁতে বা যাগ-যজ্ঞ আদিত এই দেৱতা সম্পৰ্কীয় জ্ঞানৰ একান্ত প্ৰয়োজন, সেয়ে নহ'লে যাগ-যজ্ঞ পূজা আদি নিষ্ফল হয়।

যাস্কই নিবাসস্থান অনুসৰি দেৱতা সকলক তিনি ভাগত ভগাইছে। যেনে- ভূলোকৰ দেৱতা, দ্যুলোকৰ দেৱতা আৰু অন্তৰিক্ষ লোকৰ দেৱতা। ভূলোকৰ প্ৰধান দেৱতা অগ্নি। এই অগ্নিয়েই মনুষ্যৰ নিকটতম দেৱতা। দ্যুলোকত বিৰাজ কৰা সূৰ্যই হৈছে অতি দূৰতম্। ভূলোক আৰু দ্যুলোকৰ মাজৰ অন্তৰিক্ষ লোকত বাস কৰা প্ৰধান দেৱতা বায়ু বা ইন্দ্ৰ। আচাৰ্য-যাস্কৰ মতে এই তিনি লোকৰ প্ৰধান দেৱতা কেইজন কিন্তু পৰস্পৰে স্বতন্ত্ৰ নহয়- এওঁলোক পৰমাত্মাৰ অংশ বিশেষ মাত্ৰ।

এই মুখ্য তিনি দেৱতাৰ বাহিৰেও বেদত উক্ত থকা দেৱতাসকল প্ৰকৃতিৰ শক্তি বিলাকৰ একোটা প্ৰতীক মাত্ৰ। যেনে- ৰুদ্ৰদেৱতা বজ্ৰৰ প্ৰতীক, মৰুৎ দেৱতা ধুমুহাৰ প্ৰতীক, অপাংনপাৎ দেৱতা বিজুলীৰ প্ৰতীক। এনেকৈয়ে বাকী বিলাক দেৱতাৰো তেওঁ বৰ্ণনা দিছে।

**জ্যোতিষ ঃ**

বৈদিক ক্ৰিয়া-কাণ্ড বিলাক অনুষ্ঠিত কৰিবলৈ ৰাশি বাৰ নক্ষত্ৰ আদিৰ লগত সম্পৰ্ক নাথাকিলেই নহয়। কাৰণ, এই ক্ৰিয়া-কাণ্ডবিলাক কৰিবলৈ তাৰ সময়সূচী, মাহ, বাৰ, নক্ষত্ৰ, তিথি, দিন আৰু সময়ৰ স্পষ্ট নিৰ্দেশ ব্ৰাহ্মণ গ্ৰন্থত দিয়া আছে, সেইবিলাক উলংঘা কৰি বৈদিক কোনোটো ক্ৰিয়াই নহয়। ব্ৰাহ্মণ গ্ৰন্থৰ নিৰ্দেশ যেনে "ফাল্গুণী পৌৰ্ণমাসে দীক্ষেৰণ।" অৰ্থ ফাগুণ মাহৰ পূৰ্ণিমা তিথিত দীক্ষা দিব। দ্বিজ সকলে নিজ গৃহত অগ্নিস্থাপনৰো নিৰ্দেশ আছে এনেদৰে- "ব্ৰাহ্মণে বসন্ত ঋতুত, ক্ষত্ৰীয়ই গ্ৰীষ্ম ঋতুত আৰু বৈশ্যই শৰৎ ঋতুত অগ্নি স্থাপন কৰিব।

আকৌ, 'দর্শপূর্ণমাস নামৰ ইষ্টি যজ্ঞ অমাবস্যা আৰু পূর্ণিমা তিথিত কৰিব লাগে।' এনে যজ্ঞ সম্পাদনত তিথিৰ জ্ঞানৰ প্রয়োজন। গতিকে দেখা যায় বৈদিক ক্রিয়া-কাণ্ডত জ্যোতিষৰ জ্ঞানৰ একান্ত প্রয়োজন। গতিকে বেদৰ কর্ম সুকলমে চলাবৰ বাবেই জ্যোতিষ শাস্ত্র ৰচিত হৈছে। যাগ-যজ্ঞ আদি কর্ম-কাণ্ডত জ্যোতিষৰ সহায় অপৰিহার্য। জ্যোতিষ শাস্ত্র হাতত নথকা জনৰ বাবে এইবিলাক শ্রৌত কর্মৰ অনুষ্ঠান কৰাটো সম্ভৱ নহয়। সেয়ে জ্যোতিষো বেদৰ ষড়ঙ্গৰ এক অপৰিহার্য অঙ্গ।

**কল্প ঃ**

কল্প বেদৰ অঙ্গ সমূহৰ আন এক অপৰিহার্য অঙ্গ। ইয়াত যজ্ঞৰ প্রয়োগ বিধিৰ বর্ণনা আছে আৰু লগতে গার্হস্থ জীৱনৰ সংস্কাৰ বিলাকৰো আলোচনা কৰা হৈছে। কল্প বিলাক সূত্র আকাৰে গঠিত। এই সূত্র সমূহক চাৰিটা শ্রেণীত ভাগ কৰা আছে। এই ভাগবিলাক যেনে— ১। শ্রৌত সূত্র, ২। গৃহ্যসূত্র, ৩। ধর্মসূত্র আৰু ৪। শূল্বসূত্র। নানা ধৰণৰ যজ্ঞৰ বেদীৰ পৰিমাণ জুখি-মাখি ঠিক কৰাৰ নিয়ম কল্পত দিয়া আছে।

ব্রাহ্মণ গ্রন্থত যিবিলাক যজ্ঞৰ উল্লেখ আছে সেইবিলাক যজ্ঞক শ্রৌত যজ্ঞ বোলে। এই যজ্ঞ বিলাকৰ সংখ্যা চৌধ। ইয়াৰ সাতোটা হবিযজ্ঞ আৰু সতোটা সোম যজ্ঞ। শ্রৌত সূত্রত এই চৌধতা যজ্ঞৰ বিস্তাৰিত বিৱৰণ আছে।

এই চৌধটি যজ্ঞৰ বাহিৰে আৰু যজ্ঞ আছে, সেই বিলাকক স্মার্তযাগ বোলে। এই স্মার্ত যাগ স্মার্ত অগ্নিত কৰা হয়। স্মার্ত অগ্নিৰ আন নাম-বৈবাহিক, গৃহ্য, অবিসথ্য আৰু উপাসনা অগ্নি। গৃহ্যসূত্রত ইয়াৰ আলোচনা কৰিছে।

হিন্দু সকলৰ জাত কর্মৰ পৰা আৰম্ভ কৰি একেবাৰে অন্ত্যেষ্টি ক্রিয়ালৈকে দহোটি সংস্কাৰ কেনেকৈ সম্পন্ন কৰা হ'ব এই বিষয়ৰ বিধি গৃহ্যসূত্রত আছে।